**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। ৰাজ্যত আজি ৮ খন নতুন সমজিলা সংযোজনৰ আনুষ্ঠানিকতা।

২। দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত গোৱা আৰক্ষীৰ নৱ-নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ।

৩। গুৱাহাটীত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত ১৯ আগষ্টলৈকে উচ্চ ন্যায়ালয়ৰ স্থগিতাদেশ জাৰি।

৪। হৰ ঘৰ তিৰংগা অভিযানৰ চতুৰ্থ সংস্কৰণত দেশৰ ৫ লাখতকৈ অধিক যুৱক-যুৱতীৰ নাম পঞ্জীয়ন।

*আৰু*

৫। বেংককত অনুষ্ঠিত ১৯ আৰু ২২ বছৰ অনুৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ২৭টা পদক অৰ্জনৰে ভাৰতৰ সফলতা।

০০০০০০

ৰাজ্যত ৮ খন নতুন সমজিলা সংযোজনৰ আজি শুভাৰম্ভ কৰা হ'ব। কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। কামৰূপ জিলাত আজি দুখন সম জিলা গঠন কৰা হ'ব। পলাশবাৰী সমজিলা গঠনৰ বাবে পলাশবাৰী ৰাজহ চক্ৰ কাৰ্যালয় চৌহদত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইপিনে, বকো-ছয়গাঁও সমজিলা গঠনৰ কাৰ্যসূচী বকোৰ লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কাইলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। তিনিচুকীয়াৰ মাকুমত হ'বলগীয়া মাকুম সম জিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি গোৱা আৰক্ষীৰ নৱ নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হৈছে। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড০ প্ৰমোদ সাৱন্ত মুখ্য অতিথি হিচাপে আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত আছে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰশিক্ষণ সমাপ্ত কৰা আৰক্ষী জোৱানসকলে পাছিং আউট পেৰেডত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লাচিত বৰফুকন পুলিচ একাডেমীত গোৱাৰ কনিষ্টবল সকলক প্ৰশিক্ষণ প্ৰদান কৰাটো অসমৰ বাবে আনন্দৰ কথা বুলি

মন্তব্য কৰে। তেওঁ কয়, যে গোৱা আৰু অসমৰ মাজৰ দূৰত্ব অধিক হোৱাৰ স্বত্তেও এই জোৱানসকলক অসমত প্ৰশিক্ষণৰ জৰিয়তে আন্তঃৰাজ্যিক সমন্বয়ৰ উপৰি অসম আৰক্ষীৰ শৃংখলাবদ্ধ আৰু দক্ষ প্ৰশিক্ষণ ক্ষমতা প্ৰতিফলিত হৈছে। এই দীক্ষান্ত সমাৰোহ সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ—

**ভইচ (হিৰণ্য গগৈ)**

উল্লেখযোগ্য যে আৰক্ষী জোৱানসকলক সন্মান আৰু সততাৰে দেশৰ বাবে সেৱা আগবঢ়াবলৈ সাজু কৰি তোলাৰ বাবে এই পুলিচ একাডেমীত তেওঁলোকক প্ৰায় বছৰজোৰা কঠোৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। লাচিত বৰফুকন পুলিচ একাডেমীত বিগত বৰ্ষৰ ২৩ ডিচেম্বৰত মণিপুৰ আৰক্ষীত নিযুক্ত এহেজাৰ ৯৫৬ গৰাকী কনিষ্টবলক প্ৰশিক্ষণ প্ৰদানৰ অন্তত আড়ম্বৰপূৰ্ণভাৱে দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছিল।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে মহানগৰীখনৰ চাৰিখন গাঁৱত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত ১৯ আগষ্টলৈকে স্থগিতাদেশ জাৰি কৰিছে। জালুকবাৰী বন সংমণ্ডলৰ অধীনৰ চাৰিখন গাঁও তালাপানী, গাঁওবস্তি, বৰাগাঁও আৰু কটাহবাৰীৰ বাবে এই আদেশ প্ৰযোজ্য হ'ব। উল্লেখযোগ্য যে অঞ্চলটোত বসবাস কৰা লোকসকলে এই উচ্ছেদৰ বিৰোধিতা কৰি উচ্চ ন্যায়ালয়ত চাৰিখন আবেদন দাখিল কৰিছিল। এই আবেদনৰ কালি দ্বিতীয়টো শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে এই আদেশ দিয়ে। ন্যায়ালয়ে লগতে উচ্ছেদ কৰিবলগীয়া ভূমি বনভূমি নে ৰাজহ ভূমি সেই সন্দৰ্ভত চৰকাৰে স্পষ্ট কৰিব পৰা নাই বুলিও উল্লেখ কৰে। এই বিষয়ে ৰাজ্য চৰকাৰে শপতনামাত সম্পূৰ্ণ তথ্য উল্লেখ কৰা নাই বুলিও ন্যায়ালয়ে কয়। অহা ১৯ আগষ্টত এই গোচৰৰ পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব।

০০০০০০

স্বাধীনতা দিৱসৰ বাবে ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। আনহাতে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত বিভিন্ন জিলাত প্ৰশাসনে সমদল আদিৰ আয়োজন কৰিছে। বিভিন্ন জিলাৰ সদৰত আৰক্ষী, চি আৰ পি এফ, এন চি চি আৰু স্কাউট এণ্ড গাইডৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন কৰা পৰিলক্ষিত হৈছে। ইফালে গুৱাহাটীৰ চানমাৰিত অৱস্থিত অসম ৰাজ্যিক খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ৫ হাজাৰ জাতীয় পতাকা প্ৰস্তুত কৰাৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। ব'ৰ্ডে ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা ২৫টাকৈ খাদী ভাণ্ডাৰৰ লগতে বিভিন্ন চৰকাৰী বিভাগ, জিলা আয়ুক্তৰ কাৰ্যালয়লৈ পতাকা প্ৰেৰণ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক **হৰ ঘৰ তিৰংগা** অভিযানৰ সময়ছোৱাত সকলোকে ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ জনোৱা আহ্বানৰ প্ৰতি নৱপ্ৰজন্মই যথেষ্ট সঁহাৰি জনোৱা বুলি কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কালি এখন সংবাদমেল যোগে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সদৰি কৰা মতে **হৰ ঘৰ তিৰংগা** অভিযানৰ চতুৰ্থ সংস্কৰণত এইবাৰ দেশৰ ৫ লাখতকৈ অধিক যুৱক-যুৱতীয়ে নাম পঞ্জীয়ন কৰিছে। দেশাত্মবোধৰ চেতনা জগাই তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা এই অভিযানে সামূহিক ৰূপ লৈছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

**বাইট (গজেন্দ্ৰ সিং শেখাৱট)**

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি মাই গভ প'ৰ্টেলে স্বাধীনতা দিৱস উপলক্ষে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাধিক অংশগ্ৰহণ নিশ্চিত কৰিবলৈ ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালকে জিলাসমূহৰ প্ৰাথমিক বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে প্ৰেৰণ কৰা পত্ৰখনত এই দিৱস উপলক্ষে ৰচনা, চিত্ৰাংকন, ৰীল প্ৰতিযোগিতা, কুইজকে ধৰি বিভিন্ন প্ৰতিযোগিতা আয়োজনৰ পৰামৰ্শ দিয়া হৈছে। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেশৰ প্ৰতি সজাগতা, দেশাত্মবোধ আৰু সৃজনীশীল মনোভাৱ জাগ্ৰত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু কালি জনতা ভৱনত অসমৰ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ নেতৃত্বৰ উপস্থিতিত টিৰাপ জনজাতীয় বেল্টৰ কেইবাটাও জনজাতীয় সংগঠনৰ সৈতে এখন বৈঠকত মিলিত হয়।  এই বৈঠকত টিৰাপ জনজাতীয় বেল্টৰ টাংছা, ছেমা, ছিংফৌ আদি ক্ষুদ্ৰ জনজাতিৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। জনজাতীয় পৰিয়ালৰ ভূমিৰ পট্টা দিয়াৰ বাবে থকা চৰকাৰী নীতি সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে জনজাতীয় নেতৃত্বক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে কালি বিটিআৰৰ বড়ো মাধ্যমৰ বিদ্যালয়সমূহত দেখা দিয়া বিভিন্ন সমস্যা আৰু অন্যান্য শিক্ষা সম্বন্ধীয় বিষয়ত এবছুৰ প্ৰতিনিধিৰ সৈতেও আলোচনা কৰে। এই বৈঠকত তেওঁ ৰাজ্য চৰকাৰে ৪০ খন বড়ো মাধ্যমৰ বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত সন্দৰ্ভত এবছুৰ নেতৃত্বক অৱগত কৰে। তদুপৰি ওদালগুৰিত অতি সোনকালে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এটা নতুন চৌহদ মুকলি কৰা হ'ব বুলিও তেওঁ বৈঠকত উল্লেখ কৰে। বড়ো শান্তি চুক্তিৰ অধীনত বিটিআৰ আৰু বিটিআৰৰ বাহিৰৰ বড়ো মাধ্যমৰ বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ সন্দৰ্ভত চৰকাৰে চিন্তা-চৰ্চা কৰি থকাৰ কথাও মন্ত্ৰীগৰাকীয়ে এবছুৰ নেতৃত্বত জনায়। মন্ত্ৰী ডাঃ পেগুৱে কালি অসমৰ ৭ খন স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিনিধিৰ সৈতেও বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে।

০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱস। এই দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ ২৫ খন জিলাত আজিৰে পৰা ৬০ দিনীয়া এইচ আই ভি সম্পৰ্কীয় সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিস্তৃত তথ্য, শিক্ষা আৰু যোগাযোগ অভিযান ৰূপায়ণ কৰা হ'ব। এইবাৰৰ আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱসৰ বিষয়বস্তু হৈছে—- বহনক্ষম উন্নয়নৰ লক্ষ্য প্ৰাপ্তিৰ বাবে স্থানীয় যুৱক-যুৱতীৰ কাৰ্যসূচী। এই বিষয়বস্তুকে সাৰোগত কৰি এইচ আই ভিৰ দৰে প্ৰত্যাহ্বানক প্ৰতিহত কৰাৰ বাবে যুৱপ্ৰজন্মৰ প্ৰচেষ্টা হিচাপে এই বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে ঢেকীয়াজুলিৰ ছহিদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰত আয়োজিত কাৰ্যসূচীত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে ৰাজ্যিক পৰ্যায়ৰ অভিযানৰ শুভাৰম্ভ কৰিব। আনহাতে জিলা পৰ্যায়ৰ অভিযান কাইলৈ উদ্বোধন কৰা হ'ব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে শুভেচ্ছা জনাই যুৱপ্ৰজন্মক তেওঁলোকৰ শিক্ষা আৰু দক্ষতাৰ ওপৰত বিশ্বাস ৰাখি প্ৰত্যাহ্বানসমূহক সুযোগ হিচাপে গ্ৰহণ কৰি ৰাষ্ট্ৰ নিৰ্মাণত অংশীদাৰ হ'বলৈ আহ্বান জনাইছে।

০০০০০০

ৰাজ্য চৰকাৰে মাদক দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰাখিছে। কাছাৰ আৰক্ষীয়ে কালি ধলাইত অভিযান চলাই বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰাৰ লগতে দুজন মাদকদ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা মাদকদ্ৰব্যৰ মূল্য প্ৰায় আঢ়ৈ কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই অভিযানত সোণাৰি বিধানসভা সমষ্টিত ২০২৪-২৫ বৰ্ষত ১ কোটি ২৮ লাখৰো অধিক টকা মূল্যৰ মাদকদ্ৰব্য জব্দ কৰা হয়। এই সময়ছোৱাত এন ডি পি এছ আইনৰ অধীনত ২১ টা গোচৰ পঞ্জীয়ন কৰাৰ লগতে ৪২ জন লোকক আটক কৰা হয়।

০০০০০০

প্ৰয়াত সাংবাদিক নীলিম চৌধুৰীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে কালি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত নীলিম চৌধুৰী সোঁৱৰণি সাংবাদিকতা বঁটা আৰু সঞ্জীৱ নন্দী যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। নিলিম চৌধুৰী সোঁৱৰণি সাংবাদিকতা বঁটা সোণাৰীৰ জ্যেষ্ঠ সাংবাদিক সূৰ্য্য বৰা আৰু সঞ্জীৱ নন্দী সোঁৱৰণি যুৱ সাংবাদিকতা বঁটা ডিব্ৰুগড়ৰ যুৱ সাংবাদিক হিৰণ্য বৰাক প্ৰদান কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মানস জ্যোতি দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত নিলিম চৌধুৰীৰ পৰিবাৰ ডঃ সুবাসনা মহন্ত চৌধুৰী, ডঃ শশীকান্ত শইকীয়া, জ্যোতিপ্ৰসাদ কানৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

১৯ আৰু ২২ বছৰ অনুৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত মহিলাৰ ৮০ কিলোগ্ৰাম ঊৰ্ধৰ শাখাত ৰিতিকাৰ সোণৰ পদক জয়েৰে ভাৰতে সফলতাৰে নিজৰ অভিযান সামৰিছে। বেংককত অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতে দুয়োটা বয়সৰ শাখাতে মুঠ ২৭টা পদক অৰ্জন কৰে। ১৯ বছৰ অনুৰ্ধ দলটোৱে তিনিটা সোণ, ৭টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১৪টা পদকেৰে প্ৰতিযোগিতাত দ্বিতীয় স্থান দখল কৰে। ভাৰতীয় দলটো কেৱল এটা সোণৰ পদকৰ বাবে উজবেকিস্তানৰ পিছ পৰি থাকে। আনহাতে ২২ বছৰ অনুৰ্ধ দলটো এটা সোণ, চাৰিটা ৰূপ আৰু ৮টা ব্ৰঞ্জসহ মুঠ ১৩টা পদকেৰে চতুৰ্থ স্থানত থাকে।

ইয়াৰ পূৰ্বে চলিত বৰ্ষত ভাৰতৰ ১৫ আৰু ১৭ বছৰ অনুৰ্ধ দল দুটাই এছিয়ান চেম্পিয়নশ্বিপত মুঠ ৪৩টা পদক লাভ কৰিছিল।

০০০০০০

দিল্লীৰ ৰাজপথত ইণ্ডিয়া জোঁটৰ তিনিশ সাংসদৰ প্ৰতিবাদ, যশস্বী গীতিকাৰ, নাট্যকাৰ, অভিনেতা হেমন্ত দত্তৰ বিয়োগৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইবোৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাশ্মীৰ ভাৰতৰ আভ্যন্তৰীণ বিষয় নহয় আৰু পাকিস্তানে পানীৰ অধিকাৰৰ বাবে সকলো প্ৰতিৰোধ গ্ৰহণ কৰিব বুলি পাক সেনাধ্যক্ষ আছিম মুনিৰৰ বাতৰিৰে দি আছাম ট্ৰিবিউন কাকতে বাতৰি প্ৰকাশ কৰিছে। ভাৰতৰ আটাইতকৈ সম্পদশালী পূব প্ৰান্তত পাকিস্তানে আক্ৰমন চলাব বুলি পাক সেনাধ্যক্ষৰ ভাবুকি সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতেও বাতৰি প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে জীৱনদায়িনী ঔষধ প্ৰস্তুতৰ সহজলভ্য প্ৰযুক্তি উদ্ভাৱন কৰা বিজ্ঞানী ড• মুকুট গোঁহাইৰ গৱেষণা প্ৰকল্পলৈ বিশ্ব স্বাস্থ্য সংস্থাৰ অধীনস্থ সন্মানীয় সংস্থা ইউ এন আই টি এ আই ডিৰ পৰা বঁটা লাভ কৰাৰ বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যজুৰি অবৈধ দখলকাৰীৰ বিৰুদ্ধে ৰাজ্য চৰক-ৰৰ অভিযান চলি থকাৰ মাজতে কালি যোৰহাটত নথি-পত্ৰবিহীন সন্দেহজনক নাগৰিকক স্থানীয় ৰাইজৰ সহযোগত বীৰ লাচিত সেনাই আটক কৰি আৰক্ষীক গতাই দিয়ে। এই বাতৰি দৈনিক জনমভূমি কাকতৰ। অসম গণ পৰিষদৰ প্ৰতিষ্ঠাৰ চাৰি দশক অতিক্ৰম কৰাৰ ক্ষণত দলটোৱে আগন্তুক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি দুদিনীয়া কাৰ্য্যসূচীৰে আঞ্চলিক দলসমূহৰ এখন গুৰুত্বপূৰ্ণ অভিৱৰ্তন আৰু উমৈহতীয়া মঞ্চ গঠনৰ বাবে প্ৰয়াস চলাইছে। এই বাতৰি অসমীয়া খবৰৰ কাকতৰ। ৰাস্তাৰ গৰাকীবিহীন কুকুৰৰ কামোৰৰ পৰা বাটৰুৱা আৰু সৰু ল'ৰা-ছোৱালীক ৰক্ষা কৰাৰ উদ্দেশ্যে উচ্চতম ন্যায়ালয়ে কৰ্তৃপক্ষক দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানীক্ষেত্ৰৰ কুকুৰসমূহক পথৰ পৰা আশ্ৰয়গৃহত ৰাখিবলৈ নিৰ্দেশ দিছে। এই বাতৰি দ্যা টাইমছ অৱ ইণ্ডিয়াৰ। বিটিআৰত জনসাধাৰণক সুশাসন দিয়াৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসন ব্যৰ্থ হোৱা বলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে। এই বাতৰি আমাৰ অসম কাকতৰ। দ্যা চেন্টিনেল কাকতে গুৱাহাটীত চাৰিখন গাওঁত উচ্ছেদ চলোৱা কাৰ্য্য স্থগিত ৰাখিবলৈ ন্যায়ালয়ৰ নিৰ্দেশৰ বাতৰি প্ৰকাশ কৰিছে। অসমত জলজীৱন অভিযানৰ ব্যৰ্থতাৰ দিশ উদঙাই দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে। ৰে'লৱেত চাকৰি দিয়াৰ নামত প্ৰৱঞ্চনাৰে ধন সংগ্ৰহ কৰা প্ৰৱঞ্চকৰ জামিন লাভ সন্দৰ্ভত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত